জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭৬/২০২১

# ৫৯ সংখ্যক নিখিল ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱসত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

**দিছপুৰ, ০৬ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ পানীখাইতিস্থিত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ কেন্দ্ৰীয় প্ৰশিক্ষণ কেন্দ্ৰ প্ৰাংগণত আয়োজিত নিখিল ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱসত অংশ গ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ জোৱানসকলে অসম আৰক্ষীৰ আইন-শৃংখলা, নিৰাপত্তা আদি দিশত সহযোগিতা আগবঢ়াই সেৱাৰ পৰিচয় দেখুৱাই আহিছে। এই বাহিনীৰ স্বেচ্ছাসেৱকসকলে সাহস আৰু সততাৰ পৰিচয় দাঙি ধৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ড্ৰাগছৰ বিৰুদ্ধে, কাজিৰঙাৰ সুৰক্ষাকে ধৰি বিভিন্ন সময়ত তেওঁলোকে নিজৰ দক্ষতা আৰু নিষ্ঠাৰ নিদৰ্শন দেখুৱাই আহিছে। অসমত ১৯৬২ চনত গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সংগঠন স্থাপন কৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে এই সঞ্চালকালয়ত গৃহৰক্ষী বিভাগ, অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু সশস্ত্ৰ গৃহৰক্ষী বেটেলিয়ন নামেৰে তিনিটা বিভাগ আছে। অসম গৃহৰক্ষী বিধি আৰু নিধি সংশোধনৰ জৰিয়তে এজন গৃহৰক্ষীক ৫৫ বছৰ বয়সলৈকে সেৱা আগবঢ়োৱাৰ সুবিধা প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলী, ধেমাজি, দক্ষিণ শালমাৰা, বঙাইগাঁও, কোকৰাঝাৰ, হাইলাকান্দি আৰু শিৱসাগৰত নতুনকৈ গৃহৰক্ষীৰ বিভাগ খোলাৰ কথা ৰাজ্য চৰকাৰে বিবেচনা কৰি আছে। ৰঙিয়া, নুমলীগড়, নাজিৰা আৰু মাজুলীত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ শাখা খোলাৰ বাবে প্ৰেৰণ কৰা প্ৰস্তাৱ ৰাজ্য চৰকাৰে সক্ৰিয়ভাৱে বিবেচনা কৰি আছে। অসমত গৃহৰক্ষী সঞ্চালকালয়ৰ ৪ টা সশস্ত্ৰ বেটেলিয়ন আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰথম আৰু দ্বিতীয় অসম বিশেষ সংৰক্ষিত বাহিনীয়ে ৰাজ্যৰ আৰক্ষী বাহিনীক আইন-শৃংখলা বজাই ৰখাৰ দিশত সহযোগ কৰাৰ লগতে প্ৰথম আৰু দ্বিতীয় ঔদ্যোগিক বাহিনীয়ে ঔদ্যোগিক ক্ষেত্ৰসমূহত সুৰক্ষা প্ৰদান কৰি আহিছে।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ স্বেচ্ছাসেৱকসকলে প্ৰদৰ্শন কৰা কুচকাৱাজৰো অভিবাদন গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰেচিডেন্স হোম গাৰ্ড আৰু চিভিল ডিফেন্স মেডেলো প্ৰদান কৰে।

অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান এ কে সিনহা কাশ্যপে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিং, গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**

**০৬-১২-২০২১**